**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 30-03-2024
**Time :** 1340 Hrs.

***Assamese Midday Bulletin***

## Headlines

১। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে আজি ৰাষ্ট্ৰপতি ভৱনত আয়োজিত বিশেষ অনুষ্ঠানত এইবছৰৰ ভাৰতৰত্ন সন্মান প্ৰদান কৰে। প্ৰাক্তন উপ-প্ৰধানমন্ত্ৰী লালকৃষ্ণ আদৱানীক কাইলৈ ৰাষ্ট্ৰপতিয়ে আনুষ্ঠানিকভাৱে দেশৰ সৰ্বোচ্চ অসামৰিক সন্মান ভাৰত ৰত্ন প্ৰদান কৰিব।

২। অসমৰ মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই লোকসভা নিৰ্বাচনৰ পিছতে ৰাজ্যত উমৈহতীয়া দেৱানী বিধি বলবৎ হ'ব বুলি ঘোষণা কৰিছে।

৩। ভাৰতীয় নৌ সেনাই আৰব সাগৰত ১২ ঘণ্টা জোৰা অভিযান চলাই ছোমালিয়াৰ জলদস্যুৰ কৱলৰ পৰা পাকিস্তানৰ ২৩ গৰাকী নাগৰিকক উদ্ধাৰ কৰে।

৪। পেৰিছত হ'বলগীয়া অলিম্পিক গেমছৰ সুৰক্ষা কটকটীয়া কৰি তোলাৰ ক্ষেত্ৰত ফ্ৰান্সে প্ৰায় ৪৫ খন দেশৰ সাহায্য বিচাৰিছে।

*আৰু*

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ এখন খেল আজি লক্ষ্ণৌত লক্ষ্ণৌ ছুপাৰ জায়েণ্টছ আৰু পঞ্জাব কিংছৰ মাজত অনুষ্ঠিত হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব।

০০০০০০০

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে আজি ৰাষ্ট্ৰপতি ভৱনত আয়োজিত বিশেষ অনুষ্ঠানত এইবছৰৰ ভাৰতৰত্ন সন্মান প্ৰদান কৰে। প্ৰাক্তন প্ৰধানমন্ত্ৰী চৌধাৰী চৰণ সিং আৰু পি ভি নৰসিংহ ৰাওৰ লগতে বিহাৰৰ প্ৰাক্তন মুখ্যমন্ত্ৰী কপুৰী ঠাকুৰ আৰু যশস্বী বিজ্ঞানী এম এছ স্বামীনাথনক মৰণোত্তৰভাৱে ভাৰতৰত্ন সন্মানেৰে সন্মানিত কৰা হৈছে। এই অনুষ্ঠানত আটাইকেইগৰাকী সন্মানপ্ৰাপকৰ পৰিয়ালৰ লোকে ভাৰত ৰত্ন সন্মান গ্ৰহণ কৰে। আজিৰ অনুষ্ঠানত উপ-ৰাষ্ট্ৰপতি জগদীপ ধনখড়, প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী, কেন্দ্ৰীয় গৃহ মন্ত্ৰী অমিত শ্বাহ, বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ জয়শংকৰৰ উপৰি বিহাৰৰ মুখ্যমন্ত্ৰী নীতিশ কুমাৰ আৰু কংগ্ৰেছৰ সভাপতি মল্লিকাৰ্জুন খাৰ্গে উপস্থিত থাকে। প্ৰাক্তন উপ-প্ৰধানমন্ত্ৰী তথা বিজেপিৰ বৰ্ষিয়ান নেতা লালকৃষ্ণ আদৱানীক কাইলৈ ৰাষ্ট্ৰপতিয়ে আনুষ্ঠানিকভাৱে দেশৰ সৰ্বোচ্চ অসামৰিক সন্মান ভাৰত ৰত্ন প্ৰদান কৰিব।

০০০০০০০

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু আৰু প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি ৰাজস্থান দিৱস উপলক্ষে ৰাজ্যখনৰ জনসাধাৰণক ওলগ জনাইছে। সামাজিক মাধ্যমৰ এটা পোষ্টত ৰাষ্ট্ৰপতিগৰাকীয়ে কয় যে, ৰাজস্থান ইয়াৰ বৰ্ণিল

পৰম্পৰা, আতিথ্য আৰু সংস্কৃতিৰ বাবে বিখ্যাত। তেওঁ কয় যে, ৰাজস্থানৰ লোকসকলে সমগ্ৰ বিশ্বতে নিজকে উদ্যমী হিচাপে প্ৰতিষ্ঠা কৰাত সফল হৈছে। শ্ৰী মতী মুৰ্মুৱে ৰাজস্থানবাসীৰ নিজৰ বিশেষ পৰিচয় অক্ষুন্ন ৰাখি দেশৰ প্ৰগতিত অনবদ্য অৱদান আগবঢ়াই যাব বুলি আশা কৰে।

এটা বাৰ্তাত প্ৰধানমন্ত্ৰী মোদীয়ে কয় যে, শক্তি আৰু উদ্যমৰ অফুৰন্ত প্ৰতীক ৰাজস্থানৰ বাসিন্দাসকলে ৰাজ্যখনৰ গৌৰৱৰ নতুন ধাৰা প্ৰতিষ্ঠা কৰিবলৈ অগ্ৰসৰ হৈছে। তেওঁ দৃঢ়বিশ্বাস ব্যক্ত কৰি কয় যে, এখন উন্নত আৰু আত্মনিৰ্ভৰ ভাৰত নিৰ্মাণৰ ক্ষেত্ৰত ৰাজস্থানৰ ভূমিকা অত্যন্ত গুৰুত্বপূৰ্ণ হ'ব।

০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আজি বিপ্লৱী স্বাধীনতা সংগ্ৰামী শ্যামজী কৃষ্ণ বাৰ্মাৰ প্ৰতি মৃত্যু দিৱসত শ্ৰদ্ধাঞ্জলি জনাইছে। সামাজিক মাধ্যমৰ এটা পোষ্টত প্ৰধানমন্ত্ৰীয়ে কয় যে, ভাৰতৰ স্বাধীনতা আন্দোলনৰ অন্যতম অগ্ৰণী যুঁজাৰু হিচাপে তেওঁৰ অদমনীয় শক্তি আৰু স্বাধীনতাৰ প্ৰতি থকা প্ৰতিশ্ৰুতিবদ্ধতাক পাহৰিব পৰা নাযায়। শ্ৰী মোদীয়ে লগতে কয় যে, শ্যামজীয়ে স্থাপন কৰা ইণ্ডিয়া হাউছে বিদেশত ভাৰতৰ স্বাধীনতা আন্দোলনক সংগঠিত কৰাত সহায় কৰিছিল। দেশৰ স্বাধীনতাৰ প্ৰতি থক তেওঁৰ অৱদানৰ কথা সুঁৱৰি প্ৰধানমন্ত্ৰীয়ে কয় যে, তেওঁ সদায় নিজৰ আদৰ্শত অটল আছিল।

গুজৰাটত ১৮৫৭ চনত জন্মলাভ কৰা বাৰ্মাই ইণ্ডিয়ান হোম ৰুল চ'ছাইটি, ইণ্ডিয়া হাউছ আৰু ইণ্ডিয়ান চ'ছিঅ'লজিষ্ট ইন লণ্ডন প্ৰতিষ্ঠা কৰি ভাৰতীয় ৰাষ্ট্ৰীয়তাবাদ আৰু স্বাধীনতালৈ বৰঙণি আগবঢ়াইছিল। স্বাধীনতা যুঁজাৰুগৰাকীৰ ১৯৩০ চনত ছুইজাৰলেণ্ডত মৃত্যু হৈছিল। গুজৰাটৰ মুখ্যমন্ত্ৰী হৈ থকাৰ সময়ত ২০০৩ চনত নৰেন্দ্ৰ মোদীয়ে ছুইজাৰলেণ্ডৰ পৰা বাৰ্মাৰ ছিতাভস্ম দেশলৈ ঘূৰাই আনিছিল।

০০০০০০

অসমৰ মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই লোকসভা নিৰ্বাচনৰ পিছতে ৰাজ্যত উমৈহতীয়া দেৱানী বিধি বলবৎ হ'ব বুলি ঘোষণা কৰিছে। কালি গুৱাহাটীৰ ৰাজ্যিক বিজেপিৰ মুখ্য কাৰ্যালয়ত নিৰ্বাচনী অগ্ৰগতি সন্দৰ্ভত দলৰ শীৰ্ষ বিষয়ববীয়াৰ সৈতে বৈঠকত মিলিত হোৱাৰ পিছতে সাংবাদিকেৰে হোৱা কথা বাৰ্তাত মুখ্যমন্ত্ৰীগৰাকীয়ে এই মন্তব্য কৰে। ড০ শৰ্মাই ৰাজ্যখনত বহুবিবাহ বন্ধ কৰাৰ ক্ষেত্ৰতো উপযুক্ত ব্যৱস্থা গ্ৰহণ কৰা হ'ব বুলি প্ৰকাশ কৰে। মুখ্যমন্ত্ৰীগৰাকীয়ে লোকসভা নিৰ্বাচনত অসমত এন ডি এই ভাল ফলাফল লাভ কৰিব বুলিও দাবী কৰে।

০০০০০০

উপ-ৰাষ্ট্ৰপতি জগদীপ ধনখড়ে কৈছে যে ভাৰত এখন গণতান্ত্ৰিক ৰাষ্ট্ৰ আৰু ইয়াক ন্যায়িক ব্যৱস্থাৰ সৈতে কোনো ব্যক্তি বা গোটে আপোচ কৰিব নোৱাৰে। ভাৰতীয় গণতন্ত্ৰক অনন্য বুলি অভিহিত কৰি শ্ৰী ধনখড়ে কয় যে ভাৰতৰ আইনৰ শাসনৰ বিষয়ে অইন কাৰো পৰা শিক্ষা গ্ৰহণৰ প্ৰয়োজন নাই। নতুন দিল্লীত কালি ভাৰতীয় জন প্ৰশাসন প্ৰতিষ্ঠানৰ ৭০ সংখ্যক প্ৰতিষ্ঠা দিৱস উপলক্ষে আয়োজিত অনুষ্ঠানত ভাষণ দি উপৰাষ্ট্ৰপতিগৰাকীয়ে এই দৰে কয়। শ্ৰী ধনখড়ে ভাৰতীয় ন্যায়িক ব্যৱস্থাক জনসমৰ্থক আৰু স্বাধীন বুলি অভিহিত কৰে।

০০০০০০

কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি পুৱা অসমৰ ডিব্ৰুগড়ৰ লাহোৱালত থকা মদাৰখাট সত্ৰ দৰ্শন কৰে। সত্ৰখনত জ্যেষ্ঠসকলে কেন্দ্ৰীয় মন্ত্ৰীগৰাকীক আদৰ-সাদৰ কৰি আতিথ্য আগবঢ়ায়। শ্ৰী সোণোৱালে এগৰাকী বৰ্ষিয়ান মহিলাৰ ভৰি চুই আশীৰ্বাদ গ্ৰহণ কৰে। এই অভিজ্ঞতাৰ সন্দৰ্ভত মন্ত্ৰীগৰাকীয়ে কয় যে, তেওঁ প্ৰয়াত মাতৃৰ হাতত ধৰিয়েই খোজকাঢ়িবলৈ শিকিছিল। আজি সত্ৰখনত বৰ্ষিয়ান লোকসকলৰ সান্নিধ্য পাই তেওঁ নিজকে ধন্য মনা বুলি উল্লেখ কৰে।

oooooo

ভাৰতীয় নৌ সেনাই আৰব সাগৰত ১২ ঘণ্টা জোৰা অভিযান চলাই ছোমালিয়াৰ জলদস্যুৰ কৱলৰ পৰা পাকিস্তানৰ ২৩ গৰাকী নাগৰিকক উদ্ধাৰ কৰে। ভাৰতীয় নৌ সেনাই কৌশলপূৰ্ণ সহযোগিতাৰ মাধ্যমেৰে জলদস্যুৰ দলৰ সৈতে মীমাংসালৈ আহে আৰু ৰক্তপাত নোহোৱাকৈ তেওঁলোকক আত্মসমৰ্পণ কৰিবলৈ বাধ্য কৰে। এই আত্মসমৰ্পণ ভাৰতীয় নৌ সেনাৰ বাবে সেই অঞ্চলটোৰ সুৰক্ষা আৰু জলদস্যু দমনৰ ক্ষেত্ৰত বৃহৎ জয় হিচাপে চিহ্নিত হৈছে।

ইয়াৰ পূৰ্বে ২৮ মাৰ্চত **অল-কাম্বাৰ ৭৮৬** নামৰ ইৰানৰ মাছমৰীয়া জাহাজখন ভাৰতীয় নৌ সেনাই অভিযান চলাই উদ্ধাৰ কৰিছিল। এই অভিযানত নৌ সেনাৰ আই এন এছ্ সুমেধা আৰু আই এন এছ্ ত্ৰিশূল নামৰ যুদ্ধ জাহাজ দুখনে অংশগ্ৰহণ কৰিছিল।

oooooo

জম্মু-কাশ্মীৰৰ জম্মু-শ্ৰীনগৰ ৰাষ্ট্ৰীয় ঘাইপথৰ ৰামবান খণ্ডত আজি পুৱা ধাৰাষাৰ বৰষুণৰ পাছত হোৱা ভূমিস্খলন আৰু শিল বাগৰি পৰাৰ ফলত পথটোত যাতায়াত ব্যৱস্থা ব্যহত হৈ পৰিছে।

উপ-আৰক্ষী অধীক্ষক ৰোহিত বাচক'ট্ৰাই কৈছে যে ধাৰাষাৰ বৰষুণৰ ফলত ৰামবান খণ্ডৰ ডালৱাচ, মেহাদ-কেফেটিয়া আৰু হিঙ্গনীৰ লগতে নাচ্‌ৰি আৰু বেনিহালৰ মাজৰ এক ডৰ্জনৰো অধিক অঞ্চলত ভূমিস্খলন তথা শিল বাগৰি পৰাৰ ফলত ৪৪ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথ বন্ধ হৈ পৰিছে। ইয়াৰ ফলত নাচ্‌ৰি আৰু বেনিহালৰ মাজত শ শ বাহন আবদ্ধ হৈ পৰিছে।

oooooo

পেৰিছত হ'বলগীয়া অলিম্পিক গেমছৰ সুৰক্ষা কটকটীয়া কৰি তোলাৰ ক্ষেত্ৰত ফ্ৰান্সে প্ৰায় ৪৫ খন দেশৰ সাহায্য বিচাৰিছে। এই দেশসমূহক অতিৰিক্ত সামৰিক আৰু আৰক্ষী বাহিনীৰ লগতে অসামৰিক কৰ্মী প্ৰেৰণ কৰিবলৈ ফ্ৰান্সে আহ্বান জনাইছে।

পেৰিছত বিগত দিনত সঘনাই হোৱা ইছলামিক সন্ত্ৰাসবাদীৰ আক্ৰমণৰ পৰিপ্ৰেক্ষিতত অলিম্পিক গেমছ সুকলমে অনুষ্ঠিত কৰাটো দেশখনৰ বাবে বৃহৎ প্ৰত্যাহ্বান হিচাপে পৰিগণিত হৈছে। চলিত বৰ্ষৰ ২৬ জুলাইৰ পৰা ১১ আগষ্টলৈকে হ'বলগীয়া অলিম্পিক গেমছ তথা তাৰ পিছতে হ'বলগীয়া পেৰালিম্পিকছৰ সময়ছোৱাত পেৰিছত বিশ্বৰ ভিন্ন প্ৰান্তৰ প্ৰায় ডেৰ কোটি লোকৰ সমাগম হোৱাৰ সম্ভাৱনা আছে। ৰাছিয়াত শেহতীয়াকৈ সন্ত্ৰাসবাদী সংগঠন ইছলামিক ষ্টেটে সংঘটিত কৰা ভয়াবহ বিস্ফোৰণৰ পাছত ফ্ৰান্সৰ চৰকাৰে দেশখনত নিৰাপত্তা ব্যৱস্থা কটকটীয়া কৰি তুলিছে। অলিম্পিক গেমছ সুকলমে অনুষ্ঠিত কৰাৰ বাবে ফ্ৰান্সৰ অভ্যন্তৰীণ মন্ত্ৰালয় আৰু প্ৰতিৰক্ষা মন্ত্ৰালয়ে বিদেশৰ সহায় বিচাৰিছে। ইতিমধ্যে পোলেণ্ডে পেৰিছ অলিম্পিকলৈ সেনা পঠিয়াব বুলি ঘোষণা কৰিছে।

০০০০০০

আই পি এল ক্রিকেট প্ৰতিযোগিতাৰ এখন খেল আজি লক্ষ্ণৌত লক্ষ্ণৌ ছুপাৰ জায়েণ্টছ্ আৰু পঞ্জাব কিংছৰ মাজত অনুষ্ঠিত হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব।

কলকাতা নাইট ৰাইদাৰ্ছে যোৱা নিশা বেংগালুৰুৰ এম চিন্নাস্বামী ষ্টেডিয়ামত অনুষ্ঠিত খেলত ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰুক ৭ উইকেটত পৰাস্ত কৰে। খেলখনত ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰুৱে প্ৰথমে বেট ধৰি বিৰাট কোহলীৰ ৮৩ ৰানৰ সহায়ত নিৰ্ধাৰিত ২০ অভাৰত ৬ উইকেটৰ বিনিময়ত ১৮২ ৰান কৰে। প্ৰত্যুত্তৰত কলকাতা নাইট ৰাইদাৰ্ছে ১৬ অভাৰ আৰু ৫টা বলত ৩টা উইকেট হেৰুৱাই নিৰ্ধাৰিত লক্ষ্য অতিক্ৰম কৰে। দলটোৰ হৈ ভেংকটেশ আয়াৰে ৩০টা বলত ৫০ ৰান কৰে। কলকাতা নাইট ৰাইদাৰ্ছে এইবাৰৰ আই পি এলত এতিয়ালৈকে খেলা দুয়োখন মেচতে জয়ী হৈছে। আনহাতে ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰুৱে ৩খন খেলৰ এখনত জয়ী হৈছে। কলকাতা নাইট ৰাইদাৰ্ছ কালিৰ জয়ৰ সুবাদত প্ৰতিযোগিতাৰ পইণ্ট তালিকাৰ দ্বিতীয় স্থানলৈ উন্নীত হৈছে। ইয়াৰ বিপৰীতে ৰাজস্থান ৰয়েলছ তৃতীয় আৰু ছানৰাইজাৰ্ছ হায়দৰাবাদ চতুৰ্থ স্থানলৈ অৱনমিত হৈছে। চেন্নাই ছুপাৰ কিংছ পইণ্ট তালিকাৰ শীৰ্ষত আছে।

০০০০০০

ফ্লৰিডাত চলি থকা মিয়ামি অপেন টেনিচ প্ৰতিযোগিতাৰ পুৰুষৰ ডাবলচৰ ফাইনেলত আজি নিশা শীৰ্ষ বাচনিপ্ৰাপ্ত ভাৰতৰ ৰোহন বোপান্না আৰু অষ্ট্ৰেলিয়ানৰ মেথিউ এবডেনৰ যুটীয়ে দ্বিতীয় বাচনিৰ আমেৰিকা যুক্তৰাষ্ট্ৰৰ অষ্টিন ক্ৰজিচেক আৰু ক্ৰৱেচিয়াৰ ইভান ডদিগ'ৰ বিৰুদ্ধে প্ৰতিদ্বন্দ্বিতা কৰিব।

ইফালে মহিলাৰ চিংগলচৰ ফাইনেলত আজি নিশা চতুৰ্থ বাচনিৰ এলিনা ৰিবেকিনা, বাচনিবিহীন ডেনিয়েলি কলিন্সৰ মুখামুখি হ'ব। আনহাতে কাইলৈ হ'বলগীয়া পুৰুষৰ চিংগলচৰ ফাইনেলত দ্বিতীয় বাচনিৰ জান্নিক চিনাৰ একাদশ বাচনিৰ গ্ৰিগ'ৰ ডিমিটৰভৰ মুখামুখি হ'ব।

০০০০০০

**ঃ সমাপ্ত ঃ**